Assam Judicial Service Grade III (Mains) 2020

Paper V · Assamese · compulsory paper

৫০ নম্বৰ · ২ ঘণ্টা · ২৩ জানুৱাৰী ২০২১ (২০২০ বৰ্ষৰ নিযুক্তি)

1. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ৫০ টা শব্দৰ ভিতৰত চমুটোকা লিখক — ক) বৰগীত খ) স্বৰ্গদেউ চুকাফা (৩)

2. তলৰ শব্দকেইটাৰ অর্থ লিখক — ক) উদুলিমুদুলি খ) নঙলামুখ গ) চেটুক ঘ) দুর্দিন ঙ) সোপান (৫)

3. এটা শব্দত লিখক — ক) ধান থোৱা ঘৰ খ) মাকৰ ভায়েক গ) একেগুৰুৰ শিষ্য ঘ) বিহুৰ আগদিনা ঙ) ঘৰৰ চালৰ পানী পৰা ঠাই চ) দেশৰ হকে যিয়ে আত্মবলিদান দিছে (১/২ × ৬ = ৩)

4. তলৰ শব্দকেইটাৰ বিপৰীত শব্দ লিখক — ক) বৈধ, খ) প্রত্যক্ষ, গ) ইহলোক, ঘ) সাক্ষৰ, ঙ) পুণ্য, চ) গৰিষ্ঠ। (১/২ × ৬ = ৩)

5. তলৰ বাক্য কেইটা শুদ্ধকৈ লিখক । ক) শিশুৰ প্রতি আতিশয্যতা অমানৱীয় কার্য । খ) তাৰ সোপোপালিৰ বাবেই ঘৰখন ধ্বংস হ'ল । গ) মই ৰে'লত দিল্লীলৈ গৈছিলো । ঘ) নিউটন এজন মহান বৈজ্ঞানীক আছিল । ঙ) মানুহজনক বহিব দি তেওঁ গ'লগৈ । (৫)

6. তলৰ যিকোনো এটাৰ ভাব সম্প্রসাৰণ কৰক (৫০ টা শব্দৰ ভিতৰত) ক) অল্প বিদ্যা ভয়ংকৰী। খ) সময় অমূল্য ধন। (৫)

7. আপোনাৰ চুবুৰীয়া দুখীয়া মহিলা এগৰাকীৰ ঘৰ থকা মাটিখিনিৰ ওপৰত স্বত্ব বিচাৰি এজন প্রভাৱশালী ব্যক্তিয়ে এটা দেৱানী গোচৰ তৰিছে । যিহেতু আর্থিক দুৰৱস্থাৰ বাবে মহিলা গৰাকীয়ে নিজৰ পক্ষ ৰাখিবৰ বাবে অধিবক্তা নিয়োগ কৰিব পৰা নাই; সেয়েহে মহিলা গৰাকীক সহায় কৰাৰ বাবে আপোনাৰ জিলাৰ "জিলা ন্যায়িক সেৱা প্রাধিকাৰী" ৰ অধ্যক্ষলৈ এখন দর্খাস্ত লিখক। (৫)

8. তলত দিয়া শব্দবোৰৰ অসমীয়া প্রতিশব্দ/প্রতিভাষা লিখক। A) Registrar General, B) Chief Judicial Magistrate, C) Administration, D) Approver, E) Confiscation and F) Bail Bond. (১/২ × ৬ = ৩)

9. তলৰ বাক্যকেইটা ইংৰাজীলৈ অনুবাদ কৰক । ক) "চন্দ্রকান্ত অভিধান"খন হ'ল অসমীয়া ভাষাৰ তৃতীয়খন অভিধান। খ) এইখন "হেমকোষ"তকৈ ৩২ বছৰ পাছত ওলাইছে। গ) ইয়াৰ সংকলনৰ কাম ১৯২৪ চনৰ চেপ্তেম্বৰ মাহত আৰম্ভ হৈ ১৯৩৩ চনৰ ফেব্রুৱাৰী মাহত অন্ত হৈছে। ঘ) এই অভিধানত "হেমকোষ"ত থকাৰ বাদেও বহুত নতুন আৰু পুৰণি শব্দ সোমাইছে। ঙ) "হেমকোষ" আৰু "চন্দ্রকান্ত অভিধান" অসমীয়া ভাষাৰ অমূল্য সম্পদ। (১ × ৫ = ৫)

10. তলৰ অনুচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰক । The evil of dowry system and bride burning is a blot upon the Indian civilization and deserves the severest condemnation. Foreigners ridicule our callousness and inhuman cruelty towards women and fail to understand how we can call ourselves civilized when such a ferocious practice prevails in the Indian society. (৫)

11. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত ১৫০ টা শব্দৰ ভিতৰত এখন ৰচনা লিখক । ক) অসমীয়া সাহিত্যত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান। খ) অসমৰ কুটীৰ শিল্প। (৮)